অসম

বৰ্ষাপাৰা উৰণীয়া সেতুত তীব্ৰবেগী বাহনৰ খুন্দাত ই-অট’ চালকৰ মৃত্যু, উত্তেজিত ৰাইজৰ প্ৰহাৰত আহত দুই যুৱক

গুৱাহাটীৰ বৰ্ষাপাৰা উৰণীয়া সেতুত তীব্ৰবেগী চাৰিচকীয়া বাহনৰ প্ৰচণ্ড খুন্দাত এজন ই-অট' চালকৰ মৃত্যু হয়। ঘটনাৰ পিছতে উত্তেজিত ৰাইজে বাহনখনত থকা দুই যুৱকক প্ৰহাৰ কৰে।

প্ৰকাশ: ২১ নৱেম্বৰ ২০২৬, আবেলি ৫:৪০



(NewzNow)

গুৱাহাটী: গুৱাহাটী মহানগৰীৰ বৰ্ষাপাৰা উৰণীয়া সেতুত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন ইলেক্ট্ৰিক অট’ৰিক্সা চালকৰ মৃত্যু হয়। এখন তীব্ৰবেগী চাৰিচকীয়া বাহনে ই-অট’খনক প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলতেই এই মৰ্মান্তিক ঘটনাটো ঘটে।

প্ৰাপ্ত তথ্য অনুসৰি, এএছ ২০ এফএল ৮৬৮৮ নম্বৰৰ এখন মাৰুতি চুজুকি বলে’ন’ বাহনে এএছ ০১ ইউচি ৭৩০৩ নম্বৰৰ ইলেক্ট্ৰিক অট’খনক তীব্ৰবেগেৰে আহি খুন্দা মাৰে। দুৰ্ঘটনাত ই-অট’খনৰ চালকজন গুৰুতৰভাৱে আহত হয়। সংকটজনক অৱস্থাত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু ঘটে।

দুৰ্ঘটনাত জড়িত চাৰিচকীয়া বাহনখনৰ চালক ললিত ৰায় আৰু তেওঁৰ সৈতে বাহনখনত বন্ধু অচিত চৰকাৰ নামৰ আন এজন যুৱক আছিল। দুয়োৰে ঘৰ গুৱাহাটীৰ আমবাৰীৰ চেগুনবাৰী অঞ্চলত বুলি জানিব পৰা গৈছে।

ইপিনে, দুর্ঘটনাৰ পিছতে ঘটনাস্থলীত উপস্থিত থকা উত্তেজিত পথচাৰীয়ে বলে’ন’ বাহনখনত থকা যুৱক দুজনক উত্তম-মাধ্যম সোধায়। ঘটনাৰ ফলত পৰিস্থিতি উত্তপ্ত হৈ পৰাত আৰক্ষী ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয় আৰু উত্তেজিত ৰাইজৰ কবলৰ পৰা দুই যুৱকক উদ্ধাৰ কৰে।

এই মর্মান্তিক দুর্ঘটনা আৰু ই-অট’ চালকজনৰ মৃত্যুক কেন্দ্ৰ কৰি বর্ষাপাৰা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ লগতে গভীৰ শোকৰ ছাঁ পৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4919/barsapara-flyover-accident-e-rickshaw-driver-death